# অবিভক্ত ধুবুৰী জিলাৰ সংখ্যালঘু অধ্যুষিত বিধানসভা সমষ্টিৰ ভৌগোলিক অৱস্থান আৰু জনবিস্ফোৰণ

দিলীপ বৰা

◆◆

***মানকাচৰৰ দৰে সংখ্যালঘু অধ্যুষিত সমষ্টিত বিগত দহ বছৰত ৭১,৪৭১জন ভোটাৰ বৃদ্ধি হোৱাৰ লগতে ভোটাৰৰ বৃদ্ধিৰ হাৰ ৪৬ শতাংশ। ঠিক একেদৰে বিলাসীপাৰা পশ্চিম সমষ্টিত ভোটাৰৰ বৃদ্ধিৰ হাৰ ৩৫ শতাংশ, দক্ষিণ শালমৰা সমষ্টিত ভোটাৰৰ বৃদ্ধিৰ হাৰ ৩৩ শতাংশ, বিলাসীপাৰা পূব সমষ্টিত দহটা বছৰত ভোটাৰৰ বৃদ্ধিৰ হাৰ ৩২ শতাংশ, ধুবুৰীৰ নিচিনা জিলা সদৰ সমষ্টিতো দহটা বছৰত ভোটাৰৰ বৃদ্ধিৰ হাৰ ২৮ শতাংশ পালেগৈ।***

◆◆◆

ভাৰতবৰ্ষই ১৯৫২ চনতেই জনসংখ্যা নিয়ন্ত্ৰণ আৰু পৰিয়াল পৰিকল্পনাৰ কথা চিন্তা কৰিছিল। ইয়াৰ আগতে বিশ্বৰ কোনো দেশেই এনে আঁচনি লোৱা নাছিল। কিন্তু ভাৰতবৰ্ষত বা অসম ৰাজ্যত আজিকোপতি এই আঁচনিসমূহৰ ৰূপায়ণ নহ'ল। অসম এখন সমস্যাজৰ্জৰিত ৰাজ্য। ইয়াত জনবিস্ফোৰণ এটা অপৰিহাৰ্য বিষয় হৈ পৰিছে। পূৰ্বৰ কোনো মুখ্যমন্ত্ৰীয়ে বিষয়টোত গুৰুত্ব নিদিলে। তথাপি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু জনসাধাৰণে যদি জনসংখ্যা নীতিত এতিয়াও হাত উজান দিয়ে তেন্তে বৰ্ধিত জনসংখ্যা নিশ্চয় ৰোধ হ'ব।

এই কথা সকলোৱে জানে যে প্ৰাথমিক পৰ্যায়ত যদি চিন্তা কৰোঁ যে এঘৰ মানুহৰ খাৱৰীয়া বৃদ্ধি হ'লে সেই মানুহঘৰৰ খৰচৰ মাত্ৰাও বেছি হয়। অসমৰ পৰিস্থিতিও তেনে ধৰণৰ হৈছে। কাৰণ অসমৰ জনসংখ্যা বৃদ্ধি হৈ ২০১১ চনত ৩.১২ কোটি হ'লগৈ। এই জনসংখ্যা ৰোধ কৰিবলৈ অসম চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আঁচনি লৈছে, যেনে— সীমিত পৰিয়াল সুখী পৰিয়াল নীতি, জন্ম নিয়ন্ত্ৰণ নীতি, প্ৰব্ৰজন ৰোধ নীতি ইত্যাদি। এই নীতিসমূহ বলবৎ কৰিছে যদিও অশিক্ষিত আৰু অদূৰদৰ্শী সমাজত ইয়াৰ প্ৰভাৱ অলপো পৰা নাই। সাধাৰণতে অভাৱীসকলৰ অধিক সন্তান আৰু সমৰ্থৱানসকলৰ সীমিত সন্তান দেখা পাওঁ। পৃথিৱীৰ বহুতো উন্নত ৰাষ্ট্ৰ জন্ম নিয়ন্ত্ৰণৰ বাবেই আজি উন্নতিৰ শিখৰত উপনীত হৈছে। এইটো বিশ্ব সমাজৰ বাবে আদৰ্শ।

আজি জনসংখ্যা বৃদ্ধিৰ বাবেই বিভিন্ন বেমাৰৰ সৃষ্টি, নিবনুৱা বৃদ্ধি, প্ৰকৃতি ধ্বংস, ভূমিৰ নাটনি আদি অনেক সমস্যাৰ সৃষ্টি হৈছে। ড° হিমন্ত বিশ্ব শৰ্মা অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছত যিকেইখন জনকল্যাণমূলক আঁচনি অসমৰ বাবে হাতত লৈছে তাৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে জনসংখ্যা নিয়ন্ত্ৰণ। গতিকে জনসংখ্যা নিয়ন্ত্ৰণ নীতি অসমৰ লগতে বিশ্বৰ সকলোৰে বাবে গ্ৰহণযোগ্য আৰু আদৰণীয়। ইয়াত কেন্দ্ৰীয় চৰকাৰ আৰু অসমৰ ৰাইজৰ সহযোগিতা অবিহনে মুখ্যমন্ত্ৰীয়ে বা অসম চৰকাৰে অকলে একো কৰিব নোৱাৰে। গতিকে সময় থাকোঁতেই ৰাইজ সাৱধান হ'বৰ হ'ল, নহ'লে অসমৰ জাতি, মাটি, ভাষা-সংস্কৃতি ৰক্ষা কৰা টান হ'ব।

কোনো এখন ঠাইৰ ভৌগোলিক অৱস্থান যদি মানচিত্ৰত দেখুউৱা হয় তেন্তে সেই ঠাইখনৰ অৱস্থান চাই যিকোনো মানুহেই সেই ঠাইখনৰ সন্দৰ্ভত কিছুমান সিদ্ধান্ত লোৱাত বা আঁচনি লোৱাত সহায় বা সুবিধা হয়। মুঠতে ভৌগোলিক অৱস্থানে সকলো কামৰ এটা আগলি সংবাদ প্ৰেৰণ কৰে। তেনে এটা কথা মনত ৰাখিয়েই মই অবিভক্ত ধুবুৰী জিলাৰ মানচিত্ৰত সাতটা সংখ্যালঘু অধ্যুষিত বিধানসভা সমষ্টিৰ ভৌগোলিক অৱস্থান দেখুৱাই সেই অৱস্থানৰ কাষতে ৰেখাচিত্ৰৰ দ্বাৰা ১০টা বছৰত (২০১১ৰ পৰা ২০২১ চনৰ) কেনেকৈ জনসংখ্যা ক্ৰমশঃ বৃদ্ধি হৈছে তাৰ এটি ৰেখাচিত্ৰ আগবঢ়াইছোঁ।

বৰ্তমানৰ ধুবুৰী আৰু দক্ষিণ শালমৰা-মানকাচৰ জিলাত তালিকাত উল্লেখ কৰা সাতটা সংখ্যালঘু অধ্যুষিত বিধানসভা সমষ্টিৰ ৰেখাচিত্ৰলৈ যদি মন কৰোঁ তেন্তে এটা কথা স্পষ্ট হৈ পৰিছে যে জনগাঁথনিৰ অভাৱনীয়

***অবিভক্ত ধুবুৰী জিলাৰ সাতটা সংখ্যালঘু অধ্যুষিত বিধানসভা সমষ্টিৰ দহটা বছৰৰ (২০১১ৰ পৰা ২০২১ চনৰ) ভিতৰত ভোটাৰৰ বৃদ্ধিৰ হাৰ***

| ক্ৰমিক নম্বৰ | বিধানসভা সমষ্টিৰ নাম | ২০১১ চনৰ ভোটাৰ তালিকা | ২০২১ চনৰ ভোটাৰ তালিকা | বৃদ্ধি হোৱা ভোটাৰ | বৃদ্ধিৰ হাৰ |
|---|---|---|---|---|---|
| ১ | মানকাচৰ | ১,৫৫,১৭৮ | ২,২৬,৬৪৯ | ৭১,৪৭১ | ৪৬% |
| ২ | বিলাসীপাৰা পশ্চিম | ১,২৮,৭০০ | ১,৭৩,৫৬০ | ৪৪,৮৬০ | ৩৫% |
| ৩ | দক্ষিণ শালমৰা | ১,৪১,৯১৫ | ১,৮৯,২০৯ | ৪৭,২৯৮ | ৩৩% |
| ৪ | বিলাসীপাৰা পূব | ১,৬৪,৩০৯ | ২,১৭,৬৩০ | ৫৩,৩২১ | ৩২% |
| ৫ | গৌৰীপুৰ | ১,৫৬,৫৫৯ | ২,০৫,২৬৪ | ৪৮,৭০৫ | ৩১% |
| ৬ | গোলকগঞ্জ | ১,৫৫,৮০১ | ২,০৩,৫১৩ | ৪৭,৭১২ | ৩১% |
| ৭ | ধুবুৰী | ১,৫৩,৩৮০ | ১,৯৫,৯২০ | ৪২,৫৪০ | ২৮% |